**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :23**-DEC-2025
**Time :** 0900  Hrs

***Assamese Morning Bulletin***
***Headlines***
**--------------------**

১।	বাংলাদেশৰ অশান্ত পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত ভাৰতীয় চোৰাং চোৱা সংস্থাসমূহৰ অসমকে ধৰি সীমান্ত অঞ্চলসমূহত বিশেষ সতৰ্কতা জাৰি।

২।	বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ৰাজ্যত নতুনকৈ এহেজাৰ ৮৩০ টা ভোটগ্ৰহণ কেন্দ্ৰ স্থাপনত নিৰ্বাচন আয়োগৰ অনুমোদন।

৩।	পশ্চিম কাৰ্বি আংলং জিলাৰ ডংকামোকামত সৃষ্টি হোৱা হিংসাত্মক পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত সমগ্ৰ অঞ্চলটোত পাঁচজনতকৈ লোকৰ সমাবেশ নিষিদ্ধ।

৪।	২৯ ডিচেম্বৰত কেন্দ্ৰীয় গৃহমন্ত্ৰীয়ে উদ্বোধন কৰিবলগীয়া জ্যোতি বিষ্ণু প্ৰেক্ষাগৃহ আৰু গুৱাহাটী আৰক্ষী আয়ুক্তালয় মুখ্যমন্ত্ৰীৰ পৰিদৰ্শন।

**আৰু**

৫।	বিশাখাপট্টনমত মহিলাৰ টি-২০ শৃংখলাৰ দ্বিতীয়খন খেলত আজি ভাৰত-শ্ৰীলংকাৰ মুখামুখি।

oooooo

প্ৰতিৰেশী ৰাষ্ট্ৰ বাংলাদেশত সৃষ্টি হোৱা অশান্ত পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত ভাৰতীয় চোৰাং চোৱা সংস্থাসমূহে দেশখনৰ সৈতে থকা সীমান্ত অঞ্চলসমূহত বিশেষ সতৰ্কতা জাৰি কৰিছে। চৰকাৰী সূত্ৰত প্ৰকাশ পোৱা মতে প্ৰতিবেশী ৰাষ্ট্ৰখনৰ সুৰক্ষা সংস্থাসমূহ দেশখনৰ পৰিস্থিতি নিয়ন্ত্ৰণত ব্যস্ত হৈ থকাৰ সুযোগ লৈ একাংশ মৌলবাদী সংগঠনে ভাৰতত অনুপ্ৰৱেশ কৰি কূটাঘাট সংঘটিত কৰিব পাৰে বুলি আশংকা কৰা হৈছে। অসম, ত্ৰিপুৰা আৰু পশ্চিমবংগৰ সীমান্ত অঞ্চলৰ নৈপৰীয়া স্থানসমূহত বিশেষ সতৰ্কতা জৰি কৰা হৈছে বুলি চোৰাংচোৱা সংস্থাৰ এগৰাকী বিষয়াই প্ৰকাশ কৰিছে।

ইপিনে দেশখনত হিন্দু সম্প্ৰদায়ৰ লোকৰ ওপৰত কৰা আক্ৰমণৰ ঘটনাৰ পাছতে ৰাজ্যৰ কেইবাখনো জিলাৰ সীমান্তত কটকটীয়া নিৰাপত্তা ব্যৱস্থা গ্ৰহণ কৰা হৈছে। বাংলাদেশৰ হিংসাত্মক ঘটনাই যাতে ৰাজ্যখনত কোনো প্ৰভাৱ পেলাব নোৱাৰে এই সন্দৰ্ভত সীমান্ত অঞ্চলত নিৰাপত্তাৰক্ষী সষ্টম হৈ আছে। কাছাৰ জিলাৰ কাটিগড়াৰ নাটানপুৰ অঞ্চলৰ ভাৰত-বাংলাদেশ সীমান্তত নিৰাপত্তা ব্যৱস্থা কঠোৰ কৰি তোলা হৈছে। অঞ্চলটোত দিনে-নিশাই পহৰাৰ ব্যৱস্থা কৰা হৈছে। একেদৰে দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ সীমান্ত অঞ্চলতো নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে।

বাংলাদেশত হিন্দু সম্প্ৰদায়ৰ লোকৰ ওপৰত হোৱা আক্ৰমণৰ ঘটনাৰ পাছতে ৰাজ্যৰ বিভিন্ন প্ৰান্তত প্ৰতিবাদ সাব্যস্ত কৰা হৈছে। বাঙালী যুৱ মঞ্চ, ধুবুৰী আৰু সনাতন সমাজে কালি সন্ধিয়া ধুবুৰীৰ পাচমোৰ অঞ্চলত প্ৰতিবাদ সাব্যস্ত কৰি এই ঘটনাক নিন্দা কৰাৰ লগতে বাংলাদেশত হিন্দুৰ নিৰাপত্তা নিশ্চিত কৰাৰ দাবী উত্থাপন কৰে। বৰাক উপত্যকাৰ শ্ৰীভূমিত কালি বঙালী পৰিষদৰ সদস্যসকলে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। প্ৰতিবাদকাৰীসকলে দেশখনত দীপু দাস নামৰ লোকজনৰ নৃশংস হত্যাকাণ্ডক কঠোৰ ভাষাৰে গৰিহণা দিয়াৰ লগতে মহম্মদ ইউনুছ নেতৃত্বাধীন অন্তৰ্বৰ্তীকালীন চৰকাৰক সতৰ্ক কৰি দিয়ে। তেওঁলোকে এই ঘটনাত কেন্দ্ৰীয় চৰকাৰক কঠোৰভাৱে হস্তক্ষেপ কৰিবলৈ দাবী জনায়।

শিৱসাগৰত উজনি অসম থলুৱা মুছলীম কল্যাণ পৰিষদ আৰু উজনি অসম মুছলীম কল্যাণ পৰিষদে কালি বাংলাদেশৰ চৰকাৰ আৰু মৌলবাদী সংগঠনৰ কাৰ্যকলাপৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদকাৰীসকলে ঢাকাত দীপু দাসৰ হত্যাৰ ঘটনাক গৰিহণা দি কেন্দ্ৰীয় চৰকাৰক ব্যৱস্থা ল'বলৈ আহ্বান জনায়।

ৰাজ্য চৰকাৰে বাংলাদেশত সৃষ্টি হোৱা অশান্ত পৰিস্থিতি গভীৰ উদ্বেগেৰে লক্ষ্য কৰি আছে আৰু সমগ্ৰ বিষয়টোৰ ওপৰত চোকা দৃষ্টি ৰখা হৈছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। তেওঁ কয়, যে বংলাদেশত হিন্দু ধৰ্মৰ লোকসকলক নিৰ্যাতনৰ বিষয়টোও গভীৰভাৱে নিৰীক্ষণ কৰি থকা হৈছে।

কেন্দ্ৰীয় চৰকাৰে ইতিমধ্যে বাংলাদেশত ভাৰত বিৰোধী অপপ্ৰচাৰ সম্পৰ্কত দেশখনৰ চৰকাৰক কাৰ্যকৰী ব্যৱস্থা গ্ৰহণৰ বাবে আহ্বান জনাইছে।

আনহাতে, বাংলাদেশৰ চট্টগ্ৰামত থকা ভাৰতৰ সহকাৰী উচ্চায়োগৰ সমীপত শেহতীয়াকৈ হোৱা অপ্ৰীতিকৰ ঘটনাৰ পৰিপ্ৰেক্ষিতত সুৰক্ষা ব্যৱস্থা শক্তিশালী কৰা হৈছে। ইপিনে, শনিবাৰৰ পৰা দেশখনৰ চট্টগ্ৰামত থকা ভাৰতীয় ভিছা আবেদন কেন্দ্ৰৰ সকলো কাম-কাজ বন্ধ কৰি দিয়া হৈছে।

০০০০০০

নিৰ্বাচন আয়োগে অসমৰ সমাগত বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ৰাজ্যখনত নতুনকৈ এহেজাৰ ৮৩০ টা ভোটগ্ৰহণ কেন্দ্ৰ স্থাপনৰ বাবে অনুমোদন জনাইছে। ইয়াৰ ফলত ৰাজ্যখনত মুঠ ভোটগ্ৰহণ কেন্দ্ৰৰ সংখ্যা ৩১ হাজাৰ ৪৮৬ লৈ বৃদ্ধি পাব। ৰাজ্যিক নিৰ্বাচন বিভাগৰ সূত্ৰই প্ৰকাশ কৰা মতে, পূৰ্বে ৰাজ্যখনত ২৯ হাজাৰ ৬৫৬ টা ভোটগ্ৰহণ কেন্দ্ৰ আছিল। নিৰ্বাচন আয়োগে দিয়া নিৰ্দেশনা অনুসৰি এটা ভোটগ্ৰহণ কেন্দ্ৰত এহেজাৰ ২০০ তকৈ অধিক ভোটদাতাই ভোটদান কৰিব নোৱাৰিব। এই নিৰ্দেশনামৰ্মে ৰাজ্যৰ নিৰ্বাচন বিভাগে ভোটগ্ৰহণ কেন্দ্ৰসমূহত নিৰ্দিষ্ট সংখ্যক ভোটদাতাক ভোটদানৰ সুবিধা দিয়াৰ ব্যৱস্থা কৰাৰ বাবে ভোটগ্ৰহণ কেন্দ্ৰৰ সংখ্যা বৃদ্ধি কৰিবলৈ দেশৰ নিৰ্বাচন আয়োগলৈ পত্ৰ প্ৰেৰণ কৰিছিল। সকলো দিশ চালি-জাৰি চাই নিৰ্বাচন আয়োগে ৰাজ্যখনত অহা বছৰ হ'বলগীয়া বিধানসভা নিৰ্বাচনৰ বাবে ভোটগ্ৰহণ কেন্দ্ৰৰ সংখ্যা বৃদ্ধি কৰিবলৈ অনুমোদন জনায়। ইপিনে, ৰাজ্যত সম্প্ৰতি ফটোযুক্ত ভোটদাতাৰ তালিকাৰ বিশেষ সংশোধনী অব্যাহত আছে। ২০২৬ চনৰ এক জানুৱাৰীক ভিত্তি বৰ্ষ হিচাপে লৈ চলি থকা এই প্ৰক্ৰিয়াৰ অধীনত বুথ পৰ্যায়ৰ বিষয়াসকলে ঘৰে ঘৰে গৈ পৰীক্ষণ কৰিছে।

অহা ২৭ ডিচেম্বৰত খচৰা ভোটদাতাৰ তালিকা প্ৰকাশ কৰা হ'ব। এই তালিকাক লৈ জনসাধাৰণে অহা বছৰৰ ২২ জানুৱাৰীৰ ভিতৰত ওজৰ-আপত্তি দাখিল কৰিব পাৰিব। ইয়াৰ পাছত ১০ ফেব্ৰুৱাৰীত চূড়ান্ত তালিকা প্ৰকাশ পাব। এই তালিকা নতুনকৈ সংযোজিত ভোটগ্ৰহণ কেন্দ্ৰসমূহক লৈ প্ৰকাশ কৰা হ'ব। ইয়াৰ ফলত পূৰ্বে

অন্য ভোটগ্ৰহণ কেন্দ্ৰত ভোটদান কৰা একাংশ ভোটদাতাই সমীপৰ আন ভোটগ্ৰহণ কেন্দ্ৰত গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিব লাগিব।

০০০০০০

পশ্চিম কাৰ্বি আংলং জিলাৰ ডংকামোকামত পি জি আৰ আৰু ভি জি আৰ ভূমিৰ পৰা অবৈধ দখলকাৰীক উচ্ছেদৰ দাবীত কাৰ্বি ছাত্ৰ সন্থাকে ধৰি কেইবাটাও কাৰ্বি জাতীয় সংগঠনে চলাই থকা প্ৰতিবাদে কালি হিংসাত্মক ৰূপ ধাৰণ কৰে। একাংশ প্ৰতিবাদকাৰীয়ে কালি কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙৰ পৈতৃক বাসগৃহত অগ্নিসংযোগ কৰে আৰু বাসগৃহটো লণ্ডভণ্ড কৰে। পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে আৰক্ষীয়ে গুলীচালনা কৰিবলগীয়া হোৱাত তিনিজন প্ৰতিবাদকাৰী আহত হয়। আনহাতে প্ৰতিবাদকাৰীৰ আক্ৰমণত এজন আৰক্ষীৰ জোৱানো আহত হয়। উল্লেখযোগ্য যে ষষ্ঠ অনুসূচীৰ অন্তৰ্গত কাৰ্বি আংলং জিলাৰ পি জি আৰ আৰু ভি জি আৰ ভূমিৰ পৰা দখলকাৰীক উচ্ছেদৰ দাবীত কাৰ্বি ছাত্ৰ সন্থা আৰু জাতীয় সংগঠনসমূহে যোৱা ১৫ দিন ধৰি অনশন কাৰ্যসূচীকে ধৰি আন্দোলন চলাই আহিছে। আনহাতে এই ভূমি সন্দৰ্ভত গুৱাহাটী উচ্চ ন্যায়ালয়ত চলি থকা গোচৰৰ বাবে বিষয়টোত চৰকাৰ বা স্বায়ত্তশাসিত পৰিষদে বৰ্তমান হস্তক্ষেপ কৰিব নোৱাৰে বুলি মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙে প্ৰকাশ কৰিছে। অঞ্চলটোৰ উত্তেজনাপূৰ্ণ পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে নিশা অঞ্চলটোত বিদ্যুৎ কৰ্তনৰ লগতে ভাৰতীয় ন্যায় সুৰক্ষা সংহিতাৰ ২০২৩ৰ অধীনত ১৬৩ ধাৰাও জাৰি কৰা হয়। অনিৰ্দিষ্ট কাললৈ প্ৰশাসনে এই নিৰ্দেশা অব্যাহত থাকিব বুলি জানিবলৈ দিয়ে। অসম আৰক্ষীৰ সঞ্চালক প্ৰধান হৰমিত সিঙে সমগ্ৰ পৰিস্থিতিৰ বুজ লোৱাৰ লগতে পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে আৰক্ষীক সক্ষম হৈ থকাৰ নিৰ্দেশ দিয়ে। জিলাখনত সৃষ্টি হোৱা উত্তপ্ত পৰিস্থিতিৰ বুজ লোৱাৰ বাবে যোৱা নিশা মন্ত্ৰী ৰণোজ পেগুও উপস্থিত হয়। অঞ্চলটোত সৃষ্টি হোৱা উত্তেজনাপূৰ্ণ পৰিস্থিতিৰ পাছতে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰতিক্ৰিয়া প্ৰকাশ কৰে।

*(বাইট ঃ ড০ শৰ্মা)*

ইপিনে, সন্ধিয়াও অঞ্চলটোত প্ৰতিবাদকাৰীয়ে তুলিৰাম ৰংহাঙৰ বাসগৃহৰ সন্মুখত অৱস্থান কৰি থকা প্ৰতিবাদকাৰীক আতৰাবলৈ চেষ্টা কৰোতে আৰক্ষীৰ সৈতে হতাহতি সৃষ্টি হয়। অঞ্চলটোৰ শেহতীয়া পৰিস্থিত সন্দৰ্ভত সবিশেষ জনাব আমাৰ কাৰ্বি আংলঙৰ সংবাদদাতা টুটু কোঁৱৰে-

(বাইট ঃ কোঁৱৰ)

এই হিংসাত্মক পৰিস্থিতিৰ পাছতে তুলিৰাম ৰংহাঙৰ ডিফুৰ চৰকাৰী বাসভৱনতো কটকটীয়া নিৰাপত্তা ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে গুৱাহাটীৰ খানাপাৰাত অহা ২৯ ডিচেম্বৰত উদ্বোধন কৰিবলগীয়া নৱনিৰ্মিত জ্যোতি বিষ্ণু প্ৰেক্ষাগৃহ আৰু গুৱাহাটী আৰক্ষী আয়ুক্তালয় ভৱন নিৰ্মাণৰ চূড়ান্ত পৰ্যায়ৰ কাম-কাজ কালি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই পৰিদৰ্শন কৰে। মুখ্যমন্ত্ৰীয়ে দুয়োটা স্থান পৰিদৰ্শন কৰি উদ্বোধনী অনুষ্ঠানৰ প্ৰস্তুতিও পৰ্যালোচনা কৰে। উল্লেখযোগ্য যে পাঁচ হাজাৰখন আসনযুক্ত জ্যোতি বিষ্ণু প্ৰেক্ষাগৃহ উত্তৰ-পূৰ্বাঞ্চলৰ অন্যতম বৃহৎ প্ৰেক্ষাগৃহ হিচাপে পৰিগণিত হ'ব। প্ৰেক্ষাগৃহটোত সন্মিলন ভৱন, বহুখলপীয়া গাড়ী ৰখা স্থান, উদ্যান, ফুড কৰ্ট ইত্যাদিও থাকিব। আনহাতে, আৰক্ষী আয়ুক্তালয়ৰ নৱনিৰ্মিত আঠ মহলীয়া ভৱনটো উন্নত প্ৰযুক্তিৰে সজ্জিত

কৰা হৈছে। ইয়াত অন্যান্য সা-সুবিধাৰ লগতে গুৱাহাটী স্মাৰ্ট চিটী প্ৰকল্পৰ জৰিয়তে নিৰ্মিত মহানগৰীৰ চি চি টি ভি নিৰীক্ষণৰ সংহত নিয়ন্ত্ৰণ আৰু নিৰ্দেশনা কেন্দ্ৰ থাকিব। ভৱনটোৰ চতুৰ্থ মহলত থকা এই কেন্দ্ৰটো গৃহমন্ত্ৰীগৰাকীয়ে ২৯ ডিচেম্বৰত আনুষ্ঠানিকভাৱে মুকলি কৰিব। নৱনিৰ্মিত আৰক্ষী আয়ুক্তালয় চৌহদত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰীয়ে কয়, যে এই আয়ুক্তালয় উদ্বোধনৰ পাছত নতুন ফৌজদাৰী আইন ৰূপায়ণৰ দিশত অসমে গ্ৰহণ কৰা ব্যৱস্থাসমূহৰ বিষয়ে আয়োজন কৰা এখন প্ৰদৰ্শনীও গৃহমন্ত্ৰীগৰাকীয়ে পৰিদৰ্শন কৰিব। উল্লেখযোগ্য যে এই আইন ৰূপায়ণৰ ক্ষেত্ৰত অসম দেশৰ ভিতৰতে শীৰ্ষ স্থানত থকা কথাটোক লৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও শেহতীয়া অসম ভ্ৰমণত সন্তুষ্টি প্ৰকাশ কৰিছিল। অসম আৰক্ষীয়ে এইক্ষেত্ৰত লাভ কৰা সফলতাসমূহ কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীক অৱগত কৰিব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০০০

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান বটদ্ৰৱাক বিশ্বমানৰ আধ্যাত্মিক আৰু পৰ্যটন ক্ষেত্ৰ হিচাপে গঢ়ি তোলাৰ বাবে ৰাজ্য চৰকাৰে অভিলাষী প্ৰকল্প হিচাপে গ্ৰহণ কৰা বটদ্ৰৱা সাংস্কৃতিক প্ৰকল্প অহা ২৯ ডিচেম্বৰত উদ্বোধন কৰা হ'ব। ৰাজ্য চৰকাৰে দখলমুক্ত কৰা ১৬২ বিঘা ভূমিত ২১৭ কোটি টকা ব্যয়ৰে এই প্ৰকল্প আটক ধুনীয়াকৈ নিৰ্মাণ কৰা হৈছে। ইয়াক বিশ্বৰ উচ্চতম গুৰু আসন, সত্ৰীয়া সংস্কৃতিৰ প্ৰতিফলিত কৰা বিভিন্ন কাৰুকাৰ্যসূচীত অতিথিগৃহ, দেৱবাদ্য তালৰ আৰ্হিত কলাকেন্দ্ৰ, খোলৰ আৰ্হিত গৱেষণা কেন্দ্ৰ, নাৱৰ আৰ্হিত কৌশল বিকাশ কেন্দ্ৰ আৰু জাপিৰ আৰ্হিত নাট ঘৰকে ধৰি বিভিন্ন সমলেৰে সমৃদ্ধ কৰা হৈছে। নিৰ্মীয়মান এই প্ৰকল্পস্থলী কালি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই পৰিদৰ্শন কৰে। তেওঁ লগতে অহা ২৯ ডিচেম্বৰত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে উদ্বোধন কৰিবলগীয়া বটদ্ৰৱা সাংস্কৃতিক প্ৰকল্পস্থলীও পৰিদৰ্শন কৰে। মুখ্যমন্ত্ৰীয়ে সংশ্লিষ্ট সকলক এই প্ৰকল্পৰ চূড়ান্ত পৰ্যায়ৰ কাম নিয়াৰিকৈ আৰু শীঘ্ৰে কৰিবলৈ নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে প্ৰকল্পস্থলী পৰিদৰ্শনৰ পাছত সাংবাদিকৰ আগত কয়, যে গুৰুজনাৰ স্মৃতি বিজড়িত এই স্থানৰ পৱিত্ৰতা আৰু গৌৰৱক পুনৰুদ্ধাৰ কৰাৰ বাবে সকলো প্ৰচেষ্টা গ্ৰহণ কৰা হৈছে। নিৰ্মাণকাৰ্য প্ৰায় সম্পূৰ্ণ হৈ উঠা প্ৰকল্পটো উদ্বোধন কৰি গৃহমন্ত্ৰীগৰাকীয়ে এখন বিশাল ৰাজহুৱা সভাত অংশগ্ৰহণ কৰিব বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে।

উল্লেখযোগ্য যে, কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে ২০২১ চনৰ ২৫ ফেব্ৰুৱাৰীত প্ৰকল্পটোৰ আধাৰশিলা স্থাপন কৰিছিল।

০০০০০০

কাছাৰ জিলাত কালি মন্ত্ৰী পীযুষ হাজৰিকাই কেইবাটাও প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। লক্ষিপুৰত কালি মন্ত্ৰীগৰাকীয়ে বৰাক নৈৰ খহনীয়া প্ৰতিৰোধ ব্যৱস্থা আঁচনিৰ আধাৰশিলা স্থাপন কৰে। চাৰি কোটি পুঁজি ধাৰ্য্য কৰা এই প্ৰকল্পত লক্ষিপুৰ বিধানসভা সমষ্টিৰ এটা বৃহৎ অংশ নৈৰ খহনীয়াৰ পৰা সুৰক্ষিত কৰিবলৈ জিঅ' বেগ, পাৰ্কুপাইন আৰু জিঅ' ছিন্থেটিক ফেবৰিক শ্বীট ব্যৱস্থা কৰা হ'ব। ইয়াৰ পাছতে মন্ত্ৰীগৰাকীয়ে লক্ষিপুৰ মণ্ডল বিজেপিৰ নৱ নিৰ্মিত কাৰ্যালয় পৰিদৰ্শন কৰে। জিলাখনৰ অন্তৰ্গত কচুহাদৰাম থানাৰ নতুন ভৱনৰো আধাৰশিলা স্থাপন কৰে। সন্ধিয়া মন্ত্ৰীগৰাকীয়ে সোণাই এন জি এইছ এচ স্কুল খেলপথাৰত সাংসদ খেল মহোৎসৱ ২০২৫ উপলক্ষে অনুষ্ঠিত ভলীবল প্ৰতিযোগিতাৰ চূড়ান্ত খেল উদ্বোধন কৰে। জিলাখনৰ সোণাই থানাৰ নৱ নিৰ্মিত

ভৱনৰো আধাৰশিলা স্থাপন কৰে। প্ৰকল্পসমূহৰ আধাৰশিলা স্থাপন কৰি মন্ত্ৰীগৰাকীয়ে সংবাদ মাধ্যমৰ আগত এইদৰে মন্তব্য প্ৰকাশ কৰে।

*(বাইট ঃ পীযুষ হাজৰিকা)*

মন্ত্ৰী পীযুষ হাজৰিকাৰ এই কাৰ্যসূচী সমূহত সংগ দিয়ে মন্ত্ৰী কৌশিক ৰায়, পৰিমল শুক্লবৈদ্য, বিধায়ক নিহাৰ ৰঞ্জন দাস আৰু কৰিমউদ্দীন বৰভূঞাই।

০০০০০০

মহিলা ক্ৰিকেটত ভাৰত আৰু শ্ৰীলংকাৰ মাজত চলি থকা পাঁচখনীয়া টি-২০ শৃংখলাৰ দ্বিতীয়খন খেল আজি বিশাখাপট্টনমৰ ডাঃ ৱাই এছ ৰাজশেখৰ ৰেড্ডী এচিএ–ভিডিচিএ ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। শৃংখলাত আয়োজক ভাৰতীয় দলে ১–০ ব্যৱধানত আগবাঢ়ি আছে। কেপ্তেইন হৰমনপ্ৰীত কৌৰৰ নেতৃত্বত ভাৰতীয় দলটোৱে যোৱা দেওবাৰে বিশাখাপট্টনমতেই অনুষ্ঠিত প্ৰথমখন টি-২০ মেচত শ্ৰীলংকাক ৮ উইকেটত পৰাস্ত কৰিছিল।

০০০০০০

পশ্চিম কাৰ্বি আংলং জিলাৰ ডংকা মোকামত সোমবাৰে সংঘটিত হিংসাত্মক ঘটনাৰ বাতৰিয়ে আজি গুৱাহাটীৰ পৰা প্ৰককাশিত আটাইকেইখন দৈনিক বাতৰি কাকততেই মুখ্য বাতৰিৰ স্থান দখল কৰিছে। একাংশ প্ৰতিবাকাৰীয়ে কাৰ্বি আলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙৰ বাসগৃহত অগ্নিসংযোগ কৰাৰ বাতৰিটো অসমীয়া প্ৰতিদিন কাকতে 'বহিৰাগতৰ বিৰুদ্ধে কৰা আন্দোলনক আওকাণ কৰাৰ পৰিণতিত অগ্নিগৰ্ভা কাৰ্বি আংলং, তুলিৰামৰ ঘৰ জ্বলাই ছাৰখাৰ প্ৰতিবাদকাৰীৰ' শিৰোনামেৰে প্ৰকাশ কৰিছে। আমাৰ অসম কাকতত প্ৰকাশিত একেটা বাতৰিৰ শিৰোনাম, কপাহৰ দৰে জলি চাই তুলিৰামৰ ঘৰ, খেৰণিত উন্মত্ত ৰাইজৰ শিলবৰ্ষণ, আৰক্ষীৰ গুলী, আহত জোৱানসহ কেইবাজনো। দি চেন্টিনেল আৰু দি আচাম টিব্ৰিউন কাকততো এই বাতৰিটোৱে প্ৰথমপৃষ্ঠাত শিৰোনাম দখল কৰিছে। জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ গোচৰটো জিলা আৰু সত্ৰ ন্যায়াধীশৰ আদালতলৈ স্থানান্তৰিত হোৱাৰ পাছত কালি প্ৰথম শুনানি সম্পন্ন হোৱা বাতৰিটো আটাইকেইখন কাকততে প্ৰথমপৃষ্ঠাত প্ৰকাশ কৰা হৈছে। নিয়মীয়া বাৰ্তা কাকতত প্ৰকাশিত এই বাতৰিটোৰ শিৰোনাম ভাৰ্চুৱেলী হাজিৰ সাত অভিযুক্ত, চেচন কৰ্টত জুবিন হত্যা গোচৰৰ প্ৰথমটো শুনানি, ৩জানুৱাৰীত চাৰ্জফ্ৰেম। গোচৰটোত অভিযুক্ত অমিতপ্ৰভা মহন্তৰ হৈ আদালতত গ্ৰেব্ৰিয়েল চাহু নামৰ এগৰাকী অধিবক্তাই ওকালতি কৰিব। দৈনিক অসম কাকতত এই বাতৰিটো প্ৰথমপৃষ্ঠাত পৰিৱেশন

কৰা হৈছে। বাংলাদেশৰ হিংসাত্মক পৰিস্থিতি সম্পৰ্কত সীমান্তৰ ৰাজ্য হিচাপে অসম চিন্তিত বুলি কালি মুখ্যমন্ত্ৰী ড০হিমন্ত বিশ্ব শৰ্মাই উদ্বেগ প্ৰকাশ কৰা এটা বাতৰি অসমীয়া খবৰ কাকতে প্ৰকাশ কৰিছে। ইফালে অনিৰ্দিষ্টকাললৈ ঢাকাই নতুন দিল্লীৰ ভিছা কেন্দ্ৰ বন্ধ ঘোষণা কৰাৰ বাতৰিটোৱে দৈনিক অগ্ৰদূত আৰু দি টাইমচ অব ইণ্ডিয়া কাকতত স্থান লাভ কৰিছে। এতিয়া আহক আমি পুনৰ বাতৰিৰ মাজলৈ ওভতি যাঁও।

০০০০০০

ৰাজ্যজুৰি আয়োজন কৰা গাৰ্লছ ফৰ গ'ল্‌ছ শীৰ্ষক আদিবাসী মহিলা ফুটবল চেম্পিয়নশ্বিপত ডিব্ৰুগড়ৰ জামিৰা চাহ বাগিচা মহিলা ফুটবল ক্লাবে চেম্পিয়নৰ খিতাপ অৰ্জন কৰিছে। কালি কঠালগুৰি চাহ বাগিচাত অনুষ্ঠিত চূড়ান্ত খেলত দলটোৱে যোৰহাটৰ খৰিকটীয়া য়ুথ ক্লাবক ২-১ গ'লত পৰাস্ত কৰে। উল্লেখযোগ্য যে ৰাজ্যৰ ১৬ খন জিলাৰ ৬০ টা ফুটবল দলে অংশ লোৱা এই প্ৰতিযোগিতাত যোৰহাটৰ খৰিকটীয়া য়ুথ ক্লাবৰ ববিতা প্ৰাচীক চূড়ান্ত খেলখনৰ শ্ৰেষ্ঠ খেলুৱৈ হিচাপে বাছনি কৰা হয়। আনহাতে বিজয়ী দলৰ সোণমণি মুণ্ডাই সমগ্ৰ প্ৰতিযোগিতাখনৰ শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান অৰ্জন কৰে। ডিব্ৰুগড়ৰ ভাবালিনী মান্‌কিয়ে শ্ৰেষ্ঠ গলকীপাৰ আৰু চৰাইদেউ ফুটবল ক্লাবৰ পৰিস্মিতা মুঢ়াই শ্ৰেষ্ঠ ষ্ট্ৰাইকাৰৰ সন্মান লাভ কৰে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পুৱাৰ ভাগত কুঁৱলীয়ে আৱৰি থাকিব। অৱশ্যে পাছলৈ বতৰ ফৰকাল হৈ থকাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৬ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১২ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, মণিপুৰ, মিজোৰাম, মেঘালয়ক অৰুণাচল প্ৰদেশ, নাগালেণ্ড, ত্ৰিপুৰাত সামগ্ৰীকভাৱে বতৰ ফৰকাল হৈ থাকিব যদিও ঠাই বিশেষে ঘন কুঁৱলী পৰাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত